# NALBARI URBAN CO-OPERATIVE BANK LTD.

**L. N. B. ROAD, NALBARI - 781335 (ASSAM)**

Telephone : 03624/220993Website : www.nucbl.co.in E-mail : nucbnalbari@gmail.com

# উপ-বিধিৰ ২১(১) অনুচ্ছেদ মৰ্মে বছৰেকীয়া সভাৰ জাননী

## নলবাৰী আৰবান কো-অপাৰেটিভ বেংক লিমিটেড

**সমবায় আইনৰ অধীনত পঞ্জীয়ন নং ঃ এন ১/১৯৯০-৯১, তাৰিখ ঃ ২৫-০৫-১৯৯০**

**ৰিজাৰ্ভ বেঙ্কৰ অনুজ্ঞা পত্ৰৰ নং ঃ ইউ.বি.ডি./এ.এচ. ১০৪০, তাৰিখ ঃ ১০-০৫-১৯৯১**

**লক্ষ্মীনাথ বেজবৰুৱা পথ, L.N.B. Road ঃ নলবাৰী - ৭৮১৩৩৫, Nalbari - 781335**

## বিত্তীয় বৰ্ষ- ২০২৪-২৫

## বাৰ্ষিক সাধাৰণ সভা - ২০২৫-২৬

ইয়াৰ দ্বাৰা নলবাৰী আৰবান কো-অপাৰেটিভ বেংক লিমিটেডৰ সমূহ অংশীদাৰকে জনোৱা হয় যে সিপিঠিত দিয়া কাৰ্যসূচী সম্পাদন কৰাৰ উদ্দেশ্যে অহা ২০/০৭/২০২৫ তাৰিখ দেওবাৰে ৰাতিপুৱা ১১ (এঘাৰ) বজাত নলবাৰী জিলা পুথিভঁড়াল প্ৰেক্ষাগৃহত বেংকৰ ৩৬ তম বাৰ্ষিক সাধাৰণ সভা আহ্বান কৰা হৈছে। উক্ত সভাত যথা সময়ত উপস্থিত থাকিবলৈ যোৱা ৩১/০৩/২০২৪ তাৰিখলৈ বেংকৰ সদস্যভুক্ত হোৱা আৰু সভাৰ দিনলৈ সদস্য পদ বাহাল থকা প্ৰতিগৰাকী অংশীদাৰকে ইয়াৰ দ্বাৰা অনুৰোধ জনোৱা হ'ল। লগতে উক্ত অংশীদাৰসকলক নিশ্চিতভাবে উপস্থিতিৰ বহীত চহী কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

সভাৰ দিনা প্ৰত্যেক অংশীদাৰে নিজৰ লগত চৰকাৰৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত যিকোনো ফটোযুক্ত পৰিচয় পত্ৰ/অথবা আমাৰ বেংকত থকা একাউণ্টৰ ফটোযুক্ত পাছবুক আনিব লাগিব।

উক্ত সাধাৰণ সভাত দুপৰীয়া ১২ বজাৰ ভিতৰত সন্মানীয় অংশীদাৰসকলৰ উপস্থিতি শ্ৰদ্ধাৰে কামনা কৰা হ'ল।

**ভৱদীয়**

তাৰিখ ঃ ৩১-০৫-২০২৫
স্থান ঃ নলবাৰী

**শ্ৰীবাবুল চন্দ্ৰ শৰ্মা**
**পৰিচালন সঞ্চালক**

বিঃ দ্ৰঃ- ২০/০৭/২০২৫ তাৰিখে থুলৰ অভাৱত বা আন কোনো কাৰণত সভা অনুষ্ঠিত নহ'লৈ, সেই সভাখন ২৭/০৭/২০২৫ তাৰিখে দিনৰ ১১-০০ বজাত একে ঠাইতে অনুষ্ঠিত কৰি একে কাৰ্যসূচী সম্পাদন কৰা হ'ব।

# কাৰ্যসূচী

১। সভাপতিৰ আসন গ্ৰহণ।

২। সভাৰ উদ্দেশ্য ব্যাখ্যা।

৩। শোক প্ৰস্তাৱ।

৪। যোৱা ২১/০৭/২০২৪ তাৰিখে অনুষ্ঠিত বেংকৰ ৩৫ তম বাৰ্ষিক সাধাৰণ সভাৰ কাৰ্যবিৱৰণী পাঠ আৰু দৃঢ়ীকৰণ।

৫। বিগত বছৰটোৰ কাম-কাজৰ বিষয়ে সঞ্চালকমণ্ডলীৰ প্ৰতিবেদন পাঠ, বিবেচনা আৰু সিদ্ধান্ত গ্ৰহণ।

৬। বিগত বছৰটোৰ পৰীক্ষিত লাভ-লোকচান আৰু ৩১/০৩/২০২৫ তাৰিখৰ বেলেঞ্চ চীট বিবেচনা।

৭। ক) ২০২৪-২৫ চনৰ পৰিপূৰক বাজেট গ্ৰহণ।

খ) ২০২৫-২৬ চনৰ বাজেট গ্ৰহণ।

৮। ২০২৫-২৬ ইং চনৰ সৰ্বোচ্চ জমা আৰু সৰ্বোচ্চ ঋণ গ্ৰহণৰ সীমা নিৰ্দ্ধাৰণ।

৯। প্ৰয়োজনীয় প্ৰস্তাৱ গ্ৰহণ।

ক) লভ্যাংশ বিতৰণৰ বাবে প্ৰস্তাৱ গ্ৰহণ।

খ) ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নিৰ্দেশনা মৰ্মে Bad Debt Reserve লভ্যাংশ বিতৰণৰ বাহিৰত ৰখাৰ বাবে By Laws সংশোধনৰ বাবে প্ৰস্তাৱ গ্ৰহণ।

গ) ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নিৰ্দেশনা মৰ্মে Dividend Equealization Fund বিলুপ্তকৰণৰ বাবে By laws সংশোধনৰ বাবে প্ৰস্তাৱ গ্ৰহণ।

ঘ) B R Act, 1949 ৰ আধাৰত সঞ্চালক সকলৰ কাৰ্যকাল ধাৰ্য কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ।

ঙ) General Reserve Fund সৃষ্টিৰ বাবে By Laws সংশোধনৰ বাবে প্ৰস্তাৱ গ্ৰহণ।

চ) Statutory Reserve Fund ত আগৰ ২৫% ৰ ঠাইত ৪৫% কৰাৰ বাবে By Laws সংশোধনৰ বাবে প্ৰস্তাৱ গ্ৰহণ।

১০। অন্যান্য।

ক) ২০২৪-২৫ বৰ্ষত NPA ঋণৰ ক্ষেত্ৰত ৰেহাই দিয়া সুতৰ অনুমোদনৰ বাবে প্ৰস্তাৱ গ্ৰহণ।

খ) সঞ্চালক মণ্ডলীৰ সদস্য পদৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ বাবদ আদায় দিবলগীয়া মাচুল ৫০০.০০ টকালৈ বৃদ্ধি কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ।

১১। সভাপতিৰ ভাষণ।

১২। শলাগৰ শৰাই।

১৩। সভা ভংগ।